# B.A. 1st Semester Examination 2023

Sub. : Assamese

Paper Code : SEC 0100703

Paper Title : Asamiya Akhar Jotani

Total marks : 45 Time : 2hrs.

১। তলৰ প্ৰশ্নবোৰৰ উত্তৰ অতি চমুকৈ লিখা ১×৫=৫

(ক) বৰ্তমান ব্যৱহৃত আখৰ-জোঁটনি বুজাবলৈ লক্ষ্মীনাথ বেজবৰুৱাই কি শব্দ ব্যৱহাৰ কৰিছিল?

(খ) 'অসমীয়া আখৰ-জোঁটনি' গ্ৰন্থখনৰ ৰচক কোন?

(গ) একে সময়তে দুজন লেখকৰ আখৰ-জোঁটনি ভিন ভিন হোৱাৰ মূল কাৰণ কি?

(ঘ) গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতিয়ে ১৯৭০ চনত প্ৰকাশ কৰা আখৰ জোঁটনি সম্পৰ্কীয় পুস্তিকাখনৰ নাম কি ?

(ঙ) 'মই কাইলৈ ছিৰাংলৈ যাম' তলত আঁচ টনা শব্দটো শুদ্ধ ৰূপত লিখা।

২। চমু উত্তৰ লিখা (যিকোনো পাঁচটা) ২×৫=১০

(ক) অসমীয়া ভাষাত অযোগবাহ বৰ্ণ কোনটো? এই বৰ্ণটো ব্যৱহাৰ কৰি দুটা শব্দ লিখা।

(খ) 'খ' বৰ্ণটো 'স' হিচাপে উচ্চাৰণ হোৱা দুটা অসমীয়া শব্দ লিখা।

(Turn Over)

(গ) যুক্তাক্ষৰ লিখা : ঞ + জ,  জ + ঞ

(ঘ) অৰ্থ লিখা : দিন, দীন

(ঙ) অসমীয়া ভাষাত বৰ্তমান প্ৰচলিত আখৰ জোঁটনিত ব্যৱহৃত স্বৰ চিহ্ন কেইটা? যিকোনো এটা স্বৰচিহ্ন লিখি দেখুওৱা।

(চ) লিপ্যন্তৰ মানে কি বুজাই লিখা।

(ছ) যিকোনো এযোৰ শব্দেৰে অৰ্থ প্ৰকাশ হোৱাকৈ বাক্য ৰচনা কৰা -
বাহ, বাঁহ;  গড়, গঁড়

(জ) অসমীয়া ভাষাত শব্দৰ আদিস্থানত ব্যৱহাৰ নোহোৱা দুটা বৰ্ণ লিখা।

(ঝ) উচ্চাৰণৰ লগত আখৰ-জোঁটনিৰ সমন্বয় নাথাকিলে কি ধৰণৰ অসুবিধাৰ সৃষ্টি হয় লিখা।

(ঞ) "<u>পাৰ</u> চৰাই উৰি গৈ
পালে নদীৰ <u>পাৰ</u>" — ইয়াত আঁচ টনা শব্দ দুটাৰ উচ্চাৰণৰ ক্ষেত্ৰত কি পাৰ্থক্য আছে বুজাই লিখা।

৩। যিকোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা- ৫×৪=২০

(ক) অসমীয়া ভাষাত নাসিক্য-ব্যঞ্জন কেইটা আৰু কি কি লিখা।



(খ) অসমীয়া ভাষাত উৰ্দ্ধক'মা (') প্ৰয়োগৰ বাবে অৰ্থৰ পাৰ্থক্য ঘটা একে ধৰণৰ পাঁচযোৰ শব্দ লিখা।
(উদাহৰণ ঃ কত, ক'ত)

(গ) অসমীয়া ভাষাত চন্দ্ৰবিন্দুৰ ব্যৱহাৰ সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(ঘ) অসমীয়া ভাষাত 'স, ষ, শ'-ৰ প্ৰকৃত উচ্চাৰণ হয় নে? তিনিওটা আখৰৰ উচ্চাৰণৰ ভিন্নতা সম্পৰ্কে চমুকৈ লিখা।

(ঙ) ইংৰাজী spelling শব্দৰ ঠাইত অসমীয়াত কি কি শব্দ ব্যৱহাৰ হোৱা দেখা যায়? ইয়াৰ ভিতৰত কোনটো শব্দ উপযুক্ত বুলি তুমি ভাবা বুজাই লিখা।

(চ) তৎসম শব্দ কাক বোলে? অসমীয়া ভাষাত ব্যৱহৃত চাৰিটা তৎসম শব্দ লিখা।

(ছ) সন্ধি ভাঙা (যিকোনো পাঁচটা)
মনোৰথ, সপ্তৰ্ষি, সংবাদ, অন্বয়, নাৱিক, উন্নত

(জ) তলৰ যিকোনো পাঁচটা শব্দ শুদ্ধ ৰূপত লিখা।
অঞ্জলী, দূৰ্গা, নিৰব, প্ৰতিযোগীতা, উপন্যাসিক, উদ্বোধন, আঘাট

৪। যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা - ১০×১=১০

(ক) অসমীয়া ভাষাত আখৰ-জোঁটনিৰ ক্ষেত্ৰত সমস্যা সৃষ্টি হোৱাৰ মূল কাৰণবোৰ বিশ্লেষণ কৰা।

(খ) মিছনেৰীসকলে অসমীয়া ভাষাত কেনে ধৰণৰ আখৰ-জোঁটনি গঢ়ি তুলিবলৈ প্ৰয়াস কৰিছিল আলোচনা কৰা।

(গ) লিপ্যন্তৰৰ প্ৰধান সমস্যাসমূহৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

(ঘ) যুক্তাক্ষৰ ভাঙি দেখুওৱা- (যিকোনো পাঁচটা)
হ্ন, হ্ণ, ক্ৰ, ত্ৰ, প্ৰ, ৰ্প

--০০--